দ্বিতীয় আৰু তৃতীয় পুৰুষত ব্যৱহাৰ হয়। তৃতীয় পুৰুষৰ কেৱল **আপুনি** সৰ্বনামৰ লগতহে ইয়াৰ প্ৰয়োগ হয়। যেনে,

তই **ব'ল**।
তুমি **ব'লা**।
আপুনি **ব'লক**।

**আছ্** ধাতু কেৱল স্বৰূপ বৰ্তমান আৰু অপূৰ্ণভূত বা পুৰাঘটিত অতীত কালৰ তিনিওটা পুৰুষত ৰূপ হয়। যেনে,

মই **আছোঁ** বা **আছিলোঁ**।
তই বা তহঁত **আছ** বা **আছিলি**।
তুমি বা তোমালোক **আছা** বা **আছিলা**।
সি, তাই বা সিহঁত **আছে** বা **আছিল**।

থাক্ ধাতু সাধাৰণতে নিত্য বৰ্তমান, সাধাৰণ অতীত কাল আৰু ভৱিষ্যত কালৰ কেউটা পুৰুষত ব্যৱহাৰ হয়।

মই বা আমি **থাকোঁ, থাকিলোঁ, থাকিম**।
তই বা তহঁত **থাক, থাকিলি, থাকিবি**।
সি, তাই বা সিহঁত **থাকে, থাকিব**।

বৰ্তমান কালৰ অনুজ্ঞাৰ দ্বিতীয় আৰু তৃতীয় পুৰুষত আৰু ভৱিষ্যত কালৰ অনুজ্ঞাৰ দ্বিতীয় পুৰুষত ইয়াৰ প্ৰয়োগ পোৱা যায়। যেনে,

তই থাক্, তই **থাকিবি**।
তুমি থাকা, তুমি **থাকিবা**।
সি, তাই বা সিহঁত **থাওক** বা থাকক।

স্বৰূপ বৰ্তমান আৰু অপূৰ্ণভূত কালত থাক্ বিকল্পে আছ্ হয়। যেনে, মই থাকিছোঁ বা থাকিছিলোঁ বিকল্পে **আছোঁ** বা **আছিলোঁ** হয়। কিন্তু বৰ্তমান কোনো কোনো সাহিত্যিকে মই **থাকিছিলোঁ**, তই **থাকিছিলি** — এনে প্ৰয়োগ কৰা দেখা যায়। সম্ভাব্য ভূত কালতো থাক্ ক্ৰিয়াৰ ৰূপ দেখা যায় ঃ **থাকিলোঁহেঁতেন, থাকিলিহেঁতেন, থাকিলহেঁতেন**।

**১২.১০.৪ নঞৰ্থক ক্ৰিয়া ঃ** সকলো সমাপিকা আৰু অসমাপিকা ক্ৰিয়াৰে হোৱা, কৰা, থকা আদি অস্ত্যৰ্থক ক্ৰিয়াৰ বিপৰীতে নোহোৱা, নকৰা, নথকা বুজোৱা নঞৰ্থক ক্ৰিয়াপদো আছে। ওপৰত আলোচিত মৌলিক কালৰ প্ৰায় সকলো ক্ৰিয়াপদ অস্ত্যৰ্থক বা সদৰ্থক। দৰাচলতে প্ৰতি অস্ত্যৰ্থক ক্ৰিয়াপদৰে একোটা নঞৰ্থক ৰূপ পাব পাৰি। সাধাৰণতে অস্ত্যৰ্থক ক্ৰিয়াপদৰ আগত **'ন'** উপসৰ্গ হিচাপে যোগ দিলে নঞৰ্থক ক্ৰিয়াপদ পোৱা যায়। মন কৰিবলগীয়া যেন উপসৰ্গ যিটো ক্ৰিয়াপদৰ আগত যোগ হয়, সেই ক্ৰিয়াপদৰ আদ্যক্ষৰৰ স্বৰৰ লগত ই সমীভৱন হৈ যায়। কিন্তু ক্ৰিয়াপদৰ আদ্যক্ষৰত **ঐ** বা **ঔ** থাকিলে **ন** টোৰ কোনো পৰিবৰ্তন নহয়। সেইদৰে ক্ৰিয়াপদটোৰ আদ্যক্ষৰত **ঈ** থাকিলে **ন** উপসৰ্গত

দীৰ্ঘ ঈ-ৰ সলনি হ্ৰস্ব 'ই' লগ লাগে। একাক্ষৰী ও-কাৰান্ত ধাতুৰ আগত ন যোগ হ'লে প্ৰায়ে ধাতুটো উ-কাৰান্ত হয় আৰু ন তাৰ লগত সমীভূত যায়। যেনে,

অ ঃ **নকৰোঁ, নপঢ়োঁ, নকৰিলি, নপঢ়িবি, নপঢ়িবা, নগ'ল, নহ'ল, নথ'লে, নহ'ব, নকবি** আদি।

আ ঃ **নাখাবা, নাযাবা, নাজানা, নাপাওঁ, নাযাওঁ** আদি।

ই ঃ **নিকিনো, নিদিওঁ, নিদিলা, নিশিকিবা, নিলিখিবা, নিজীলে, নিজীয়াওঁ** আদি।

উ ঃ **নুধুলে, নুশুলে, নুলুকাবা, নুফুচুলাবা, নুনুমাল** আদি

এ ঃ **নেখেলে, নেমেলিবি, নেদেখিলোঁ** আদি।

নাখাবা, নাযাবা, নাজানা আদি ক্ৰিয়াপদৰ **না** টো কেতিয়াবা 'নে' লৈ ৰূপান্তৰিত হয়। যেনে, নেখাবা, নেযাবা, নেজানা আদি। এনে প্ৰয়োগ উজনি অসমৰ কথিত ভাষাত বিশেষভাবে দেখা যায়। লেখিত ৰূপতো ইয়াৰ ব্যৱহাৰ আছে। উল্লিখিত ক্ৰিয়াপদবোৰ এক প্ৰকাৰ যৌগিক নঞৰ্থক ক্ৰিয়া পদ।

মৌলিক নঞৰ্থক ক্ৰিয়াপদ মাথো এটা ঃ **নাই**। ই অনিয়মিত ক্ৰিয়া। সকলো কালৰ সকলো পুৰুষত ইয়াৰ ৰূপ পোৱা নাযায়। **নাই**ৰ সম্প্ৰসাৰিত (extended) ৰূপ হৈছে নাইকিয়া। (অনিয়মিত ক্ৰিয়া চাওক)। **আছ্** ধাতুৰ নিত্য বৰ্তমান কালৰ বিকল্প নঞৰ্থক ৰূপে **নাই** ক্ৰিয়াপদ পোৱা যায়। যেনে,

মই **নাই**, তই, তুমি **নাই**, সি বা তাই **নাই**।

স্বৰূপ বৰ্তমান, স্বৰূপ ভূত আৰু অপূৰ্ণ ভূতকালৰ ক্ৰিয়াৰ লগত প্ৰশ্ন সুধিবলৈ বা অনিশ্চিতভাৱ প্ৰকাশ কৰিবলৈ **নাই** ক্ৰিয়াপদ এনেদৰে ব্যৱহৃত হয় ঃ

তুমি ৰামায়ণ পঢ়িছা নে **নাই**?

তোমাক আগতে দেখিছোঁ নে **নাই**, ক'ব নোৱাৰো।

মোৰ কিতাখন পঢ়িলা নে **নাই**?

তোমালোক বিয়ালৈ গৈছিলা নে **নাই**? ইত্যাদি।

কেতিয়াবা **ওঁহো** শব্দ প্ৰয়োগ কৰিও নোহোৱা অৰ্থ প্ৰকাশ কৰা হয়। যেনে,

আজি স্কুললৈ যাবানে? **ওহোঁ**।

কেতিয়াবা অস্ত্যৰ্থক ক্ৰিয়াপদৰ আগত **না, নুই, নৌ** ব্যৱহাৰ কৰিও নোহোৱা অৰ্থ প্ৰকাশ কৰাহয়। যেনে,

তোমাৰ **না** আছে ৰূপ **না** আছে গুণ।

তুমি জানি শুনিও কথাটো কিয় **নুই** কৰিলা?

ৰাম **নৌ** উপজোঁতেই ৰামায়ণ ৰচনা হৈছিল।

যাবৰ **নৌ** হয় এথোন।

নঞৰ্থক ক্ৰিয়াপদবোৰ অসমাপিকা আৰু কদৃন্ত ৰূপতো পোৱা যায়। এই ৰূপবোৰৰ দ্বিত্ব প্ৰয়োগো মন কৰিবলগীয়া। যেনে,